দৈনিক
অগ্ৰদূত
২৪ মে' ২০০২ শুকুৰবাৰ পৃষ্ঠা ৩

# চোৰাং ব্যৱসায়ীৰ কবলৰ পৰা দুষ্প্ৰাপ্য নল গাহৰি উদ্ধাৰ

বিশেষ সংবাদদাতা

বৰপেটা, ২৩ মে' ঃ বৰপেটা জিলাৰ প্ৰকৃতি সংৰক্ষণকাৰী সংগঠন বাঁহবাৰীস্থ 'গ্ৰীণ মানাহে' যোৱা আঠ মে'ত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত কালজাৰ খণ্ড উপ-বন বিষয়াৰ কাৰ্যালয়ৰ সমীপৰ এখন গাঁৱৰ চোৰাং ব্যৱসায়ীৰ কবলৰ পৰা তিনিটা দুষ্প্ৰাপ্য নল গাহৰিৰ পোৱালি উদ্ধাৰ কৰে। বিশ্বৰ ষষ্ঠ বিলুপ্তপ্ৰাপ্ত প্ৰাণী নল গাহৰি বৰ্তমান পৃথিৱীৰ ভিতৰত অকল মানাহতে পৰ্যাপ্ত পৰিমাণে পোৱা যায়। ১৯৭২ চনৰ বন্যপ্ৰাণী সুৰক্ষা আইন মতে নল গাহৰি ধৰা আৰু হত্যা কৰাটো নিষিদ্ধ। পাছত মানাহৰ ভূঞাপাৰা বনাঞ্চলত নল গাহৰিকেইটাক মুকলি কৰি দিয়া হয়। নল গাহৰিকেইটাক উদ্ধাৰকাৰ্য তদাৰক কৰে গ্ৰীণ মানাহৰ সচিবপ্ৰধান নিৰঞ্জন বৰ্মন আৰু কুমাৰ ব্ৰহ্মাই। উল্লেখ্য যে বন বিভাগৰ সম্পূৰ্ণ নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি বনাঞ্চলসমূহত চোৰাং চিকাৰীয়ে দিন দুপৰতে হৰিণ তথা অন্যান্য জীৱ-জন্তু হত্যা কৰাটো সৰ্বজনবিদিত হৈ পৰিছে।

# মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণাৰ্থে 'গ্ৰীণ মানাহ'ৰ সভা

● 'আমাৰ অসম' অৰণ্যম সেৱা, বাঁহবাৰী

যোৱা ১৮ মে'ৰ দিনা বাঁহবাৰীস্থ 'গ্ৰীণ মানাহ'ৰ উদ্যোগত ভাঙাবপাৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণৰ অৰ্থে এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাখন সঞ্চালনা কৰে গ্ৰীণ মানাহৰ সভাপতি ধনেশ্বৰ স্বৰ্গীয়াৰী আৰু বিশেষ বক্তা হিচাপে উপস্থিত থাকে মুখ্য উপদেষ্টা ধৰণীধৰ ঔৱাৰী, উপদেষ্টা চিকণ বসুমতাৰী আৰু উত্তৰ গোৱৰ্ধনা হাইস্কুলৰ প্ৰধান শিক্ষক ইয়াদ আলী। সভাত সচিবপ্ৰধান নিৰঞ্জন বৰ্মনৰ লগতে কাৰ্যনিৰ্বাহকৰ প্ৰায়সংখ্যক সদস্যই অংশগ্ৰহণ কৰে। এই সভাত জ্ঞাতীগাঁও, বাঘবিল, নাৰায়ণগুৰি, এলেঙ্গামাৰী, বাঁহবাৰী আদি গাঁৱৰ প্ৰায় ২০০জন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই সভাখনত মানাহৰ প্ৰয়োজনীয়তা, জৈৱ-বিচিত্ৰতা, প্ৰাকৃতিক ভাৰসাম্য আদিৰ ওপৰত বিস্তৃত বক্তব্যৰে জনসাধাৰণক মানাহ সংৰক্ষণত সহায় আগবঢ়োৱাৰ বাবে আহ্বান জনোৱা হয়। ৰাইজৰ তৰফৰ পৰা মানাহ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি বক্তব্য দাঙি ধৰে আব্দুছ ছামাদ, হাইদৰ আলী, আশ্ৰফ আলী, হানিফ আলী, আজগৰ আলী আদি প্ৰকৃতিপ্ৰেমী ব্যক্তিয়ে।

2৮/৫/2002

2৮ মে' 2002